আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

FRIDAY, DECEMBER 29, 2023>> 10 PM   www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, চতুৰ্থ সংখ্যা   Guwahati, Assam ।। মূল্যঃ এটকা

# চুক্তিৰ নামত পেকেজৰ ৰাজনীতি!

## পোৱাতকৈ নোপোৱাই ভাল!

■ অ'বিচিৰ সংৰক্ষণৰ বাবে সমিতি গঠন ■ অ'বিচিৰ শ্ৰেণী বিভাজন আৰু অৰ্থনৈতিক সংৰক্ষণ ■ এনআৰচিৰ পুনৰীক্ষণ ■ সীমান্ত আৰক্ষীক শক্তিশালী কৰা ■ কৃষিভূমি সংৰক্ষণ ■ থলুৱা ভূমিহীনৰ বাবে লেণ্ড বেংক গঠন ■ স্বাধীনতাৰ পূৰ্বৰ ৭ জিলাত গৱেষণা কেন্দ্ৰ স্থাপন ■ ৬০টা মেগা প্ৰকল্প ■ ৫ বছৰৰ ভিতৰত ৫ হাজাৰ কোটিৰ পেকেজ ■ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষানুষ্ঠান স্থাপন ■ বান-গৰাখহনীয়াক অগ্ৰাধিকাৰ ■ চুক্তি ৰূপায়ণৰ বাবে সমিতি গঠন

## কেডাৰক সংস্থাপনত গুৰুত্ব

**নতুন দিল্লীঃ** আলোচনাপন্থী আলফাই অৱশেষত সম্পন্ন কৰিলে ত্ৰিপাক্ষিক চুক্তি। খিলঞ্জীয়াৰ বাবে আসন সংৰক্ষণ, ইনাৰ লাইন পাৰ্মিটকে ধৰি এসময়ৰ সংগঠনটোৰ মূল দাবীসমূহৰ প্ৰায় প্ৰতিটো দাবীকেই আওকাণ কৰি সম্পন্ন হোৱা এই চুক্তি এতিয়া কেৱল আলফা কেডাৰৰ সংস্থাপনৰ চুক্তি হিচাপেহে পৰিণত হৈছে। দশকৰ পিছত দশক ধৰি সম্পূৰ্ণ কাৰ্যকৰী নোহোৱাকৈ আজিও অৱহেলিত হৈ ৰোৱা অসম চুক্তিৰ দৰেই এই চুক্তিখনো একপ্ৰকাৰ ভেকোভাওনাত পৰিণত হোৱাৰো সম্ভাৱনা প্ৰকট হৈ পৰিছে।

■ শেষাংশ ২নং পৃষ্ঠাত

## <u>সংবাদমেলত শশ চৌধুৰী</u>

## পৰেশ বৰুৱাই আদৰণি জনাব! নিৰ্বাচন নেখেলাৰ সিদ্ধান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন দিল্লী, ২৯ ডিচেম্বৰঃ** ২৯ ডিচেম্বৰত সন্ধিয়া নতুন দিল্লীত আলফাৰ আলোচনাপন্থী গোটে কেন্দ্ৰীয় চৰকাৰৰ সৈতে ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰে৷ চুক্তিত স্বাক্ষৰ কৰাৰ পাছতে এই চুক্তিক লৈ পৰেশ বৰুৱাপন্থী আলফা স্বাধীন কি প্ৰতিক্ৰিয়া ব্যক্ত কৰিব তাকে লৈ নিবদ্ধ হৈ আছে সকলোৰে দৃষ্টি৷ এই পৰ্যন্ত পৰেশ বৰুৱাই চুক্তিখনক লৈ কোনো প্ৰতিক্ৰিয়া ব্যক্ত কৰা নাই৷ কিন্তু পৰেশ বৰুৱা সন্দৰ্ভত মতামত ব্যক্ত কৰিছে শশ চৌধুৰীয়ে৷ চুক্তি সম্পন্ন হোৱাৰ পিছতেই দিল্লীত অনুপ চেতিয়া, শশ চৌধুৰী আৰু মৃণাল হাজৰিকাই এখন সংবাদমেল সম্বোধন কৰি পৰেশ বৰুৱাক আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনাব নোৱাৰো বুলি উল্লেখ কৰে৷ আলফা নেতৃত্বই কয়, 'পৰেশ বৰুৱাক আমি আহ্বান জনাব নোৱাৰো। তেওঁৰ অধীনত কাম কৰিছিলো। গতিকে এই চুক্তিক পৰেশ বৰুৱাই আদৰণি জনাব বুলি আশা কৰিছো। ত্ৰিপাক্ষিক চুক্তিৰ পাছত সংবাদ মেল সম্বোধন কৰি আলফাৰ নেতৃত্বই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ,

■ শেষাংশ ২নং পৃষ্ঠাত



দিল্লীত সংবাদমেলত শশ চৌধুৰী, শুকুৰবাৰে

প্ৰথম পৃষ্ঠাৰ পৰা...

# চুক্তিৰ নামত পেকেজৰ ৰাজনীতি...

চুক্তিখনক লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অধিক উষ্মা প্ৰকাশ কৰাৰ বিপৰীতে আলফা নেতৃত্বৰ চকুৰে-মুখে প্ৰাপ্তিৰ হাঁহিৰ পৰিৱৰ্তে দেখা গৈছে হতাশাৰ ছাঁ! আনহাতে এই চুক্তিখন লোকসভা নিৰ্বাচনৰ পূৰ্বে পেকেজৰ ৰাজনীতি সদৃশ হৈ পৰা বুলিও চুক্তি স্বাক্ষৰ হোৱাৰ পিছতেই একাংশই মন্তব্য কৰিছে। ঋণগ্ৰস্ত অসম চৰকাৰে এইবাৰ আলফা চৰকাৰৰ মাজত চুক্তি সম্পন্ন কৰি কিছু অৰ্থনৈতিক সকাহ পোৱাৰ আশা প্ৰকাশ কৰিছে৷ মূলত ৰাজ্যৰ উন্নয়নৰ স্বাৰ্থত অৰ্থনৈতিক পেকেজেই এই চুক্তিৰ মূল সাৰমৰ্ম বুলি জানিব পৰা গৈছে৷ ৰাজ্য চৰকাৰৰে বিত্তীয় অৱস্থা সংকটজনক হৈ থকাৰ সময়তে কেন্দ্ৰীয় চৰকাৰে আলফাৰে শান্তি চুক্তিৰ নামত আগবঢ়োৱা পেকেজৰ দ্বাৰাই অসম চৰকাৰে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত কিছু কাম-কাজ কৰাৰ পৰিকল্পনা কৰাৰ সুবিধা লাভ কৰিব বুলিও ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে৷ বহু যুৱক-যুৱতীক অকালতে হেৰুওৱাৰ লগতে বহু মাতৃৰ বুকু শুদা কৰা আলফাৰ সেই কাৰ্যকলাপ আৰু গুপ্তহত্যাৰ পাছত স্বাভাৱিকতে এই চুক্তিখনে অসমৰ জাতীয় জীৱনৰ সমস্যাসমূহ সমাধান কৰাৰ এক প্ৰধান দলিল হ'ব বুলি ভবা বুলি হৈছিল৷ কিন্তু জাতি সুৰক্ষিত চুক্তিতকৈ ৰাজনৈতিক বুজাপৰা কৰা আৰু নিৰ্বাচনী ইস্তাহাৰৰ লেখীয়া এখন চুক্তিহে হৈ পৰে আজি স্বাক্ষৰিত চুক্তিখন৷ আলফা নেতাৰ ভাব-ভংগী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ কথাৰ পৰাই জানিব পৰা গৈছে যে এই চুক্তিৰ দ্বাৰা অসমৰ সামগ্ৰিক উন্নয়ন আৰু জাতীয় অস্তিত্ব ৰক্ষা কৰাতকৈ আলফা সংগঠনৰ সৈতে জড়িত কেডাৰৰ সংস্থাপনৰ কথাটোকহে ইয়াত অধিক গুৰুত্ব দিয়া হৈছে। আজিৰ এই চুক্তিখনত সন্নিবিষ্ট মূল বিষয়সমূহ হৈছে অ'বিচিৰ সংৰক্ষণৰ বাবে সমিতি গঠন, অ'বিচিৰ শ্ৰেণী বিভাজন আৰু অৰ্থনৈতিক সংৰক্ষণ, এনআৰচিৰ পুনৰীক্ষণ। একেদৰে সীমান্ত আৰক্ষীক শক্তিশালী কৰা, কৃষিভূমি সংৰক্ষণ, থলুৱা ভূমিহীনসকলৰ বাবে লেণ্ড বেংক গঠন, স্বাধীনতাৰ পূৰ্বৰ ৭ জিলাত গৱেষণা কেন্দ্ৰ স্থাপনৰ কথাও চুক্তিত উল্লেখ কৰা হৈছে। ৬০টা মেগা প্ৰকল্প, ৫ বছৰৰ ভিতৰত ৫ হাজাৰ কোটিৰ পেকেজ, ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষানুষ্ঠান স্থাপন, বান-গৰাখহনীয়াক অগ্ৰাধিকাৰ, চুক্তি ৰূপায়ণৰ বাবে সমিতি গঠনৰ কথাও কোৱা হৈছে। কিন্তু কোনো এটা বিষয়েই অসমীয়া জাতিৰ জাতীয় অস্তিত্বৰ সৈতে জড়িত নোহোৱাত চুক্তিখনক লৈ অধিক আশা কৰাসকল এতিয়া স্বাভাৱিকতেই হতাশ হৈ পৰিছে।

# পৰেশ বৰুৱাই আদৰণি জনাব!

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। এই চুক্তিক লৈ আমি সুখী। এই চুক্তি নোহোৱা হ'লে আমি জেলত কটাব লাগিলহেঁতেন। জেলৰ পৰা ওলাই অহাৰ পাছত আমাৰ লগত আলোচনা কৰিছে। এই চুক্তিৰ দ্বাৰা অসমীয়া জাতি সুৰক্ষিত হ'ব বুলি দাবী কৰি আলফা নেতৃত্বই আৰু কয় যে এই চুক্তিৰ জৰিয়তে অসমে ১ লাখ ৮০ কোটি টকাৰ পেকেজ লাভ কৰিছে। বিধানসভাৰ আসন সংৰক্ষণৰ যোগেদি জাতি সুৰক্ষিত হ'ব। সমষ্টি পুনৰ নিৰ্ধাৰণত ৯৪টা সমষ্টি সংৰক্ষণ হৈছে। ইয়াৰ দ্বাৰা ৬০ বছৰৰ কাৰণে অসমখন সুৰক্ষিত হৈছে।' ইফালে, আজি চুক্তিত স্বাক্ষৰ কৰিয়েই চুক্তি স্বাক্ষৰকাৰী আলফা নেতৃত্বই বৃহৎ ঘোষণা কৰিছে৷ ৪৪ বছৰীয়া ৰক্তাক্ত সশস্ত্ৰ সংগ্ৰামৰ যৱনিকা পেলোৱাৰ কথা ঘোষণা কৰিছে দিল্লীত চুক্তিত স্বাক্ষৰ কৰা কেন্দ্ৰীয় সমিতিৰ নেতাসকলে৷ ত্ৰিপাক্ষিক চুক্তিক স্বাক্ষৰ কৰাৰ পাছতে নতুন দিল্লীত অনুষ্ঠিত কৰা এক সংবাদমেলত আলফা নেতৃত্বই এই চুক্তি কৰি সুখী হোৱা বুলি মন্তব্য প্ৰদান কৰে৷ অনুপ চেতিয়া, শশ চৌধুৰী আৰু মৃণাল হাজৰিকাই সংবাদমেলখনত আলফাৰ আলোচনাপন্থী গোটে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লোৱাৰ কথা উল্লেখ কৰাৰ লগতে আলফা ভংগ কৰাৰ সিদ্ধান্ত লয়৷ বৈদেশিক সচিব শশ চৌধুৰীয়ে কয় যে আলফাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে আৰু এমাহৰ ভিতৰত আলফা ভংগ কৰাৰ সিদ্ধান্ত লোৱা হৈছে৷ উল্লেখ্য যে, ২০১১ চনৰ পাছৰে পৰা আলফাৰ শীৰ্ষ নেতাসকলে মূলসুঁতিলৈ অহাৰ পাছতে মূলসুঁতিলৈ ঘূৰি নহা সেনাধ্যক্ষ পৰেশ বৰুৱাই আলফাৰ নাম সলনি কৰি 'আলফা স্বাধীন' নামেৰে নামকৰণ কৰে৷ মূলসুঁতিলৈ অহা অহা নেতাসকলে ভাৰত চৰকাৰৰ সৈতে আলোচনাত বহি চুক্তিত স্বাক্ষৰ কৰিলে যদিও ম্যানমাৰৰ অটব্য হাবিত আজিও আলফা স্বাধীনক সক্ৰিয় কৰি ৰাখিছে মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই৷

# পৰেশ বৰুৱাৰ সৈতে আলোচনাৰ বাট মুকলি কৰিলেঃ মুখ্যমন্ত্ৰী

**ই-সংবাদ, নতুন দিল্লী, ২৯ ডিচেম্বৰঃ** নতুন দিল্লীত ভাৰত চৰকাৰ-আলফাৰ চুক্তি স্বাক্ষৰ সম্পন্ন হোৱাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক উৎসাহী হোৱা দেখা যায়৷ চুক্তি সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে আজি অসমৰ বাবে এক ঐতিহাসিক দিন৷ কেন্দ্ৰ আৰু অসম চৰকাৰে আলফাৰ আলোচনাপন্থী গোটৰ সৈতে কৰা শান্তি চুক্তিৰ বিষয়সমূহ এশ শতাংশই কাৰ্যকৰী কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় আমি অসমক বিকাশ কৰিম আৰু ভাৰতৰ অন্যতম শক্তিশালী ৰাজ্য হিচাপে গঢ়ি তুলিম। আমি অসমক আগুৱাই নিম৷ চুক্তিয়ে ৰাজ্যলৈ স্থায়ী শান্তি আনিব। এই চুক্তি স্বাক্ষৰ ৰখাৰ পাছত অসমৰ জনসাধাৰণৰ সকলো আশা-আকাংক্ষা পূৰণ হ'ব। প্ৰধানমন্ত্ৰী মোদীৰ অসম আৰু উত্তৰ-পূবৰ প্ৰতি চোৱা নীতিৰ বাবে ৰাজ্যখনত শান্তিপূৰ্ণ পৰিৱেশ বাহাল হৈছে।

এতিয়ালৈকে স্বাক্ষৰিত সকলো শান্তি চুক্তিয়ে শান্তিত অৰিহণা যোগাইছে। আজি অসমৰ মাত্ৰ ১৫ শতাংশ অঞ্চল সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ অধীনত। ৰাজ্যৰ বাকী অংশ এই আইনৰ পৰা মুক্ত। বহু বছৰৰ আলোচনাৰ এক পৰিসমাপ্তি এই চুক্তি৷ চুক্তিৰ উদ্দেশ্য হৈছে অসমক পীড়িত কৰা দশকজুৰি চলি অহা বিদ্ৰোহৰ সমাপ্তি। এই চুক্তিৰ জৰিয়তে অসমৰ উন্নয়নৰ বাবে ১৫০ লাখ কোটি টকাৰ পেকেজ গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি আজি স্বাক্ষৰিত ত্ৰিপাক্ষিক চুক্তিয়ে পৰেশ বৰুৱাৰ সৈতে আলোচনাৰ বাট মুকলি কৰিলে বুলি কয়৷ এই চুক্তিত অসম চুক্তিৰ দফাও এই সামৰি লোৱা হৈছে৷ এই চুক্তিৰ জৰিয়তে অসমত নতুন ৰে'ল পথ, ঘাইপথৰ প্ৰস্তাৱ লোৱা হৈছে বুলি জনায় ড০ শৰ্মাই৷




# উত্তৰ-পূৰ্বাঞ্চল আৰু অসমত শান্তিৰ যুগ আৰম্ভঃ অমিত শ্বাহ

## চুক্তি আখৰে আখৰে পালন কৰা হব বুলি দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, নতুন দিল্লী, ২৯ ডিচেম্বৰঃ** আজি নতুন দিল্লীৰ নৰ্থ ব্লকত গৃহমন্ত্ৰীৰ অমিত শ্বাহৰ উপস্থিতিত আলফা স্বাধীনৰ সৈতে ভাৰত চৰকাৰে ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰে। অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু আলফাৰ আলোচনাপন্থী গোটৰ সভাপতি অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বৰ ১৬জনীয়া গোটৰ উপস্থিতিত এই ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰা হয়। এই চুক্তি স্বাক্ষৰৰ সময়ত গৃহমন্ত্ৰী অমিত শ্বাহে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলক লৈ কেইবাটাও তাৎপৰ্য্যপূৰ্ণ মন্তব্য প্ৰদান কৰে। গৃহমন্ত্ৰী অমিত শ্বাহে নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ নেতৃত্বত দিল্লী আৰু অসমৰ মাজৰ ব্যৱধান হ্ৰাস হোৱা বুলি দাবী কৰি বিগত ৫ বছৰত ৯খন সীমা সমস্যা আৰু শান্তি চুক্তি কৰা হৈছে বুলি উল্লেখ কৰে। শ্বাহে এই চুক্তিৰ জড়িয়তে অসমক বিশেষ আৰ্থিক পেকেজ দিয়াৰ কথা ঘোষণা কৰে। অমিত শ্বাহে দাবী কৰি কয় যে নৰেন্দ্ৰ মোদী চৰকাৰৰ দিনত উত্তৰ-পূৰ্বাঞ্চলৰ ৯ হাজাৰ বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰিছে। ৮৫ শতাংশ এলেকাৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন আঁতৰিছে। আলফাৰ আলোচনাপন্থী গোটক ধন্যবাদ জ্ঞাপন কৰি শ্বাহে আৰু কয় আজিৰে পৰা অসমৰ পৰা সন্ত্ৰাস সমাপ্ত হ'ব। আলফাই অস্ত্ৰ-গোল-বাৰুদ জমা দি শিবিৰসমূহ খালী কৰিব। আজিৰে পৰা আলফাৰ নেতাসকলে লোকতান্ত্ৰিক ব্যৱস্থাৰ অংশ হোৱাৰ সিদ্ধান্ত লৈছে। আলফাৰ সংগ্ৰামৰ কথা উল্লেখ কৰি শ্বাহে কয় যে ১৯৭৯ চনৰ পৰা এই সন্ত্ৰাসত ১০ হাজাৰ লোকৰ মৃত্যু হৈছে। যিসকল লোকে প্ৰাণ হেৰুৱালে সেইসকল এইখন দেশৰে নাগৰিক। এই সমস্যাৰ সম্পূৰ্ণ সমাধান কৰা হ'ব। চুক্তিৰ দ্বাৰা অসমক বিশেষ বৃহৎ পেকেজ প্ৰদান কৰা হ'ব। উন্নয়নৰ বাবে পেকেজ দিয়া হ'ব। শ্বাহে এটা কথাত বাৰে বাৰে জোৰ দি কয় যে এই চুক্তি আখৰে আখৰে পালন কৰা হ'ব। এক কথাতে এই চুক্তি কাৰ্যকৰী কৰা হ'ব। শ্বাহে এক তথ্য প্ৰদান কৰি অসমত ৮৭ শতাংশ হিংসাত্মক ঘটনাৰ হ্ৰাস, ৯০ শতাংশ সন্ত্ৰাসজনিত মৃত্যুৰ ঘটনা হ্ৰাসৰ হোৱাৰ লগতে ৮৪ শতাংশলৈ অপহৰণ কাণ্ড হ্ৰাস হোৱা বুলি দাবী কৰে। পূৰ্বে ৭৫০০ কেডাৰে অস্ত্ৰ সম্বৰণ কৰাৰ লগতে আজি ৭০০ কেডাৰে অস্ত্ৰ সম্বৰণ কৰাত মুঠ ৮২০০ কেডাৰে অস্ত্ৰ এৰি মূলসুঁতিলৈ অহা বুলি কয় শ্বাহে। শ্বাহে উত্তৰ-পূৰ্বাঞ্চল আৰু অসমত শান্তিৰ যুগ আৰম্ভ হোৱা বুলি উল্লেখ কৰি আৰু কয় আলফাৰ সৈতে সম্পন্ন হোৱা চুক্তিৰ সকলো দাবী ভাৰত চৰকাৰে তন্নতন্নকৈ পূৰ্ণ কৰিব। ২০১৯ চনৰ পিছত কৰা প্ৰতিটো চুক্তি কাৰ্যকৰী কৰা হৈছে। সীমান্ত এলেকালৈ নৰেন্দ্ৰ মোদীৰ ভিজন স্পষ্ট। শেষত আলোচনাত বহিবলৈ সন্মত হোৱাত আলোচনাপন্থী আলফাৰ প্ৰতিগৰাকী প্ৰতিনিধিৰ শলাগ লৈ চুক্তি সময়মতে কাৰ্যকৰী কৰা হ'ব বুলি কথা দিয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে।

# অসমাপ্ত অধ্যায়! পৰেশ বৰুৱা অবিহনে এয়া কি চুক্তি?

বিশেষ লেখা ■ **নওৰোজ মিলাবি**

**১৯৭৯ চনৰ** ৭ এপ্ৰিলত ৰংঘৰৰ বাকৰিত প্ৰতিষ্ঠা হোৱা আলফাৰ আলোচনাপন্থী গোটটোৱে শুকুৰবাৰে আবেলি ৫ বজাত ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰে৷ নতুন দিল্লীত দুটা দিন বাহৰ পতাৰ অন্তত স্বাক্ষৰিত হয় এই বহু প্ৰতীক্ষিত চুক্তি৷ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আলফাৰ আলোচনাপন্থী গোটটোৱে ত্ৰিপাক্ষিক চুক্তিখনত স্বাক্ষৰ কৰে৷ চুক্তি স্বাক্ষৰৰ সময়ত আলফা নেতা অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া, শশধৰ চৌধুৰী, প্ৰদীপ গগৈ, চিত্ৰবন হাজৰিকা, মিথিংগা দৈমাৰী, প্ৰণতি ডেকা, ৰাজু বৰুৱা, অপূৰ্ব বৰুৱা, বিজু ডেকা, প্ৰাণজিৎ শইকীয়া, অণ্টু চাওদাং, প্ৰদ্যুৎ গোহাঁই, পল্লৱ শইকীয়া, মৃণাল হাজৰিকা, দেৰহাগ্ৰা বসুমতাৰী উপস্থিত আছিল৷ ব্যাপক উৎসাহিত হৈ আলোচনাপন্থী আলফাৰ নেতাসকলে এই চুক্তিত স্বাক্ষৰ কৰা দেখা যায়৷ নতুন দিল্লীৰ নৰ্থ ব্লকত মূলসুঁতিলৈ ওলাই অহাৰ ১২ বছৰৰ অন্তত ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰিত হয়৷ ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰি অহা ৩১ ডিচেম্বৰত গুৱাহাটীত উপস্থিত হ'ব৷ গুৱাহাটী মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত স্বাক্ষৰকাৰী আলফা নেতাসকলক বিভিন্ন দল-সংগঠনে ফুলাম গামোচা পিন্ধাই উষ্ম আদৰণি জনাব বুলি জানিব পৰা গৈছে৷ এই চুক্তি অনুসৰি আলফাৰ নেতা-কেডাৰক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা হ'ব৷ আনহাতে, কেন্দ্ৰীয় চৰকাৰে অসমক ডেৰ লাখ কোটি টকা বিনিয়োগৰ কথা উল্লেখ আছে৷ মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই চুক্তি স্বাক্ষৰ কৰাৰ অন্তত কয় যে স্বাভাৱিকতে অসমৰ বাবে এটা প্ৰাপ্তিৰ দিন৷ এই চুক্তিত ডেৰ লাখ কোটি টকাৰ নিবেশৰ কথা ৰখা হৈছে৷ আইআইএম, স্থপতিবিদ বিশ্ববিদ্যালয়সহ নতুন নতুন অনুষ্ঠান-প্ৰতিষ্ঠানৰ কথা এই চুক্তিত উল্লেখ আছে৷ নতুন ৰে'ল লাইন, ৰাষ্ট্ৰীয় ঘাইপথৰ কথা উল্লেখ আছে৷ মুখ্যমন্ত্ৰীয়ে আৰু কয় যে সকলো প্ৰকল্প মিলাই চালে অসমৰ বাবে মুঠ ১.৫ লাখ কোটি টকাৰ পেকেজ হ'ব৷ 'প্ৰসিদ্ধ স্থান'ৰ ৫ কিলোমিটাৰ এলেকাত ভূমি ক্ৰয়-বিক্ৰয় কৰিব নোৱাৰিব বুলি প্ৰস্তাৱ সংযোজন কৰা হৈছে৷ সমষ্টি সলনি কৰিলে ভোটাৰে নিৰ্দিষ্ট ব্যৱস্থাৰ মাজেৰে পাৰ হোৱাৰ কথা চুক্তিত উল্লেখ কৰা হৈছে৷ চুক্তিত উল্লেখ থকা সকলোতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে অসম চুক্তিৰ দৰেই এটা দফা সংযোজন৷ অসমৰ চুক্তিৰ ৬নং দফাৰ দৰেই এটা দফা সন্নিবিষ্ট হৈছে চুক্তিখনত৷ আজিৰ চুক্তিত সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা-সংৰক্ষণ, আৰু পৰিবৰ্ধনৰ বাবে সাংবিধানিক, সংসদীয় আৰু প্ৰশাসনীয় ৰক্ষাকৱচৰ কথা কোৱা হৈছে৷ তদ্ৰুপ অসম চুক্তিৰ ৬নং দফাত কোৱা হৈছিল যে অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা-সংৰক্ষণ, আৰু পৰিবৰ্ধনৰ বাবে সাংবিধানিক, সংসদীয় আৰু প্ৰশাসনীয় ৰক্ষাকৱচ, যথোপযুক্ত ভাবে প্ৰদান কৰা হ'ব। কিন্তু অসম চুক্তিৰ দীৰ্ঘ সময় পাৰ হৈ যোৱাৰ পাছতো ৬নং দফা দূৰৰে কথা অসম চুক্তিৰ কোনো এটা দফাই কাৰ্যকৰী কৰা নহ'ল৷ ইফালে চুক্তিক লৈ অসমৰ বিভিন্ন লোকে অনুসন্ধিৎসু হৈ পৰা দেখা গৈছে৷ অসমৰ জনগণে এই চুক্তিত কি কি প্ৰস্তাৱ থাকিব তাকে লৈ আগ্ৰহান্বিত হৈ পৰিছে৷ অসমৰ ৰাইজে বিচৰা থলিগিৰিৰ সুৰক্ষাৰ বিষয়সমূহ চুক্তিত থাকিব নে নাই তাকে লৈ বিভিন্নজনে সমাজিক মাধ্যমত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে৷ ৰাজনৈতিক ৰক্ষাকৱচ, প্ৰব্ৰজনকাৰীক চিনাক্ত কৰি বহিস্কাৰ কৰা, নাগৰিকত্ব সংশোধনী আইন অসমত কাৰ্যকৰী নকৰা, আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা, থলুৱাৰ বাবে লোকসভা-বিধানসভাৰ আসন সংৰক্ষণ, বানপানী-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ৰূপে ঘোষণা, চাহপাতৰ নিলাম কেন্দ্ৰ অসমলৈ স্থানান্তৰ, ৰাজ্যিক সীমাবিবাদ নিষ্পত্তি, সম্পদৰ ওপৰত সম্পূৰ্ণ অধিকাৰ এই বিষয়সমূহ চুক্তিত সন্নিবিষ্ট হ'ব নে নাই তাকে লৈ উৎসুক হৈ পৰিছিল৷ সন্ধানহীন আলফা নেতাৰ সন্ধান, আলফাৰ নামত নিৰ্যাতনৰ বলি হোৱা পৰিয়ালক সাহায্য, শ্বহীদ আলফাৰ নেতা-কেডাৰক পৰিয়ালক সাহায্য এই বিষয়সমূহ চুক্তিত হ'ব নে নাই তাকে লৈ দৃষ্টি দিছিল সজাগ অসমীয়াই৷ কিন্তু শেষত এনে বিষয়সমূহ এই চুক্তিত সন্নিবিষ্ট হোৱাতো প্ৰত্যক্ষ নকৰাত একাংশ লোক উদাস হৈ পৰে৷ উল্লেখ্য যে, এই আলোচনাৰ পৰিৱেশ সূচনা হৈছিল ২০০৫ চনত৷ ২০০৫ চনত জংঘলত থকাৰ সময়তে আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাই পিচিজি নামেৰে এখন কমিটি গঠন কৰিছিল৷ জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামীক মুখ্য সমন্বয়ৰক্ষী হিচাপে লৈ গঠন কৰা সমিতিত ৰেৱতী ফুকন, অৰূপ বৰবৰা, লাচিত বৰদলৈ, মুকুল মহন্ত, অজিত কুমাৰ ভূঞা, হাইদৰ হুছেইন, ব্ৰজেন গগৈ, দিলীপ পাটগিৰি, দিগন্ত কোঁৱৰ আৰু হিৰণ্য শইকীয়াক সদস্য কৰা হৈছিল৷ পিচিজিয়ে দিল্লীৰ সৈতে আলোচনাৰ পৰিৱেশ তৈয়াৰ কৰিবলৈ প্ৰয়াস কৰিছিল৷ আলফাৰ হৈ দিল্লীত আলোচনাত বহিছিল এই সমিতিয়ে৷ কিন্তু পৰৱৰ্তী পৰ্যায়ত এই আলোচনা বিফল হয়৷ সেই সময়ৰ কংগ্ৰেছ চৰকাৰে 'সাৰ্বভৌমত্ব' বা 'স্বাধীন অসম'ৰ দাবীক লৈ কোনো প্ৰকাৰে আলোচনা সম্ভৱ নহয় বুলি স্পষ্ট কৰি দিছিল৷ কিন্তু আলফা আছিল আকোৰগোজ৷ ভাৰত চৰকাৰ আৰু আলফাৰ মাজৰ আলোচনা তৃতীয় এখন ৰাষ্ট্ৰত অনুষ্ঠিত কৰা, আলোচনা ৰাষ্ট্ৰসংঘৰ তত্ত্বাৱধানত অনুষ্ঠিত কৰা, আলোচনাৰ বিষয়সূচীত অসমৰ সাৰ্বভৌমত্ব বিষয় অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাই আহে৷ সেই সময়তে সভাপতি অৰবিন্দ ৰাজখোৱাক বাংলাদেশৰ পৰা হস্তান্তৰ কৰি ভাৰতক অৰ্পণ কৰাৰ পাছতে ২০১১ চনত পিচিজি ভংগ কৰাৰ কথা ঘোষণা কৰা হয়৷ ডও হীৰেণ গোহাঁই, সাংবাদিক অজিত কুমাৰ ভূঞাকে ধৰি ৰাজ্যৰ আগশাৰীৰ লোকৰ উদ্যোগত অনুষ্ঠিত জাতীয় অভিৱৰ্তনে আলোচনা কৰিবলৈ সন্মতি দিছিল৷ ২০০৯ চনৰ ৩০ নৱেম্বৰত বাংলাদেশ আৰক্ষীয়ে ঢাকাত অৰবিন্দ ৰাজখোৱাক গ্ৰেপ্তাৰ কৰিছিল। ভাৰতীয় কৰ্তৃপক্ষৰ গতাই দিয়া হয়। আনহাতে চোৰাংচোৱাই দাবী কৰিছিল যে অৰবিন্দ ৰাজখোৱাই আগৰতলাত ভাৰতীয় সুৰক্ষা বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰিছিল৷ পাছত বিমানেৰে নতুন দিল্লী নি চৰকাৰৰ সৈতে আলোচনাৰ মেজত বহুওৱাবলৈ প্ৰয়াস কৰা হৈছিল। ২০০৯ চনৰ ৫ ডিচেম্বৰত ৰাজখোৱাক কামৰূপৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ৰাজখোৱাক হাজিৰ কৰোৱা হয়। দুটা বছৰৰ অন্তত ২০১১ চনৰ ১ জানুৱাৰীত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ পৰা জামিনত মুক্তি দিয়া হয় ৰাজখোৱাক। ২০১৫ চনৰ নৱেম্বৰ মাহত অনুপ চেতিয়াক বাংলাদেশ চৰকাৰে ভাৰতলৈ প্ৰত্যাৰ্পণ কৰে। চেতিয়াক ২০১৫ চনৰ ২৪ ডিচেম্বৰত জামিনত গুৱাহাটী কাৰাগাৰৰ পৰা মুক্তি দিয়া হয়। সমানে ২০১২ চনৰ এপ্ৰিল মাহলৈ বৈদেশিক সচিব শশ চৌধুৰী, উপ মুখ্য সেনাধ্যক্ষ ৰাজু বৰুৱা, প্ৰচাৰ সচিব মিথিংগা দৈমাৰী মূলসুঁতিলৈ আহে৷ ২০১১ চনত আলোচনাৰ বিষয়টোৱে নতুন পথ লয়৷ ২০১১ চনৰ পৰা কেন্দ্ৰ আৰু আলোচনা পন্থী আলফাৰ মাজত কেইবালানি আলোচনা হয়। ৰাজনৈতিক ৰক্ষাকৱচ, বিদেশী সমস্যাৰ অৰ্থপূৰ্ণ সমাধান আৰু অসমৰ সামগ্ৰিক উন্নয়ন আদি দিশত এই আলোচনাই অগ্ৰগতি লাভ কৰিছিল যদিও কেন্দ্ৰীয় চৰকাৰৰ সদ্ভাৱৰ বাবে লেহেমিয়া হয় আলোচনাৰ পৰিৱেশ৷ কিন্তু অসমৰ মুখ্যমন্ত্ৰী ৰূপে ডও হিমন্ত বিশ্ব শৰ্মাই শপত লোৱাৰ পাছতে আলোচনা প্ৰক্ৰিয়া ত্বৰান্বিত কৰা হয়৷ প্ৰায় আঠেটা বছৰৰ ভিতৰত কেইবালানি আলোচনাৰ অন্তত আলফা আলোচনাপন্থী গোটে চুক্তিত স্বাক্ষৰ কৰিবলৈ সন্মত হয়৷ কিন্তু এই চুক্তি স্বাক্ষৰ কৰা হ'ল যদিও অসমৰ কোনো এটা জ্বলন্ত সমস্যা এই চুক্তিত সন্নিবিষ্ট হোৱা নাই বুলি সজাগ অসমীয়াই অভিযোগ কৰিবলৈ আৰম্ভ কৰিছে৷ এই চুক্তিৰ সৈতে অসমীয়া মানুহৰ বহু আৱেগ জড়িত হৈ আছে৷ অবৈধ প্ৰব্ৰজনকে ধৰি সমস্যাৰে জৰ্জৰিত আৱেগিক ডেকাই সংযুক্ত মুক্তি বাহিনী, অসমৰ জন্ম দিছিল। ছবছৰীয়া বিদেশী খেদা আন্দোলনৰ সময়তে আলফাৰ সমৰ্থনত ওলাই আহিছিল বহু পাহুৱাল ডেকা৷ হাতত অস্ত্ৰ তুলি লৈ জংঘললৈ গৈ বিদ্ৰোহ কৰিছিল৷ হিংসাত্মক কাৰ্যকলাপ বৃদ্ধি কৰাত ১৯৯০ চনত ভাৰত চৰকাৰে সংযুক্ত মুক্তি বাহিনীক নিষিদ্ধ ঘোষণা কৰি সামৰিক বাহিনীৰ দ্বাৰা কঠোৰ হাতেৰে দমন কৰাৰ প্ৰয়াস কৰে৷ ১৯৯০ চনৰ নৱেম্বৰ মাহ পৰা আৰম্ভ হোৱা অপাৰেচন বজৰঙৰ সময়তে অসমৰ ডেকা-আৱাল-বৃদ্ধাৰ ওপৰত নিৰ্যাতন আৰম্ভ হয়৷ যি কথাই সমগ্ৰ অসমীয়া জাতিক জোকাৰি গৈছিল৷ বিদ্ৰোহী সংগঠন আলফাৰ নেতা-কেডাৰক বিচৰাৰ নামত সহজ-সৰল অসমীয়াক হাৰাশাস্তি কৰা হৈছিল৷ অসমৰ জীয়ৰীক আলফা বিচৰাৰ নামত ধৰ্ষণ কৰাৰো উদাহৰণ আছে এইখন অসমত৷ এনে পৰিপ্ৰেক্ষিতত আজিৰ এই চুক্তিত অসমৰ কোনো জ্বলন্ত সমস্যাই গুৰুত্ব নোপোৱাত ভিতৰি ভিতৰি স্বাভাৱিকতে ক্ষুব্ধ হৈ পৰিছে সমগ্ৰ অসমবাসী। ছ'চিয়েল মিডিয়াতো অসমৰ সচেতন লোকসকলক অধিকাংশই এয়া আলফাৰ কেইজনমান নেতাৰ সংস্থাপনৰ চুক্তিৰ বাদে আন একো নহয় বুলি মন্তব্য কৰা দেখা গৈছে।

# অৱশেষত ক্ষমা বিচাৰিলে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই

## টীমৰ সদস্যই শ্লোকৰ ভুলকৈ অনুবাদ কৰা বুলি মন্তব্য

**ই-সংবাদ, গুৱাহাটী, ২৯ ডিচেম্বৰঃ** ছ’চিয়েল মিডিয়াযোগে ব্ৰাহ্মণ্যবাদক প্ৰাধান্য দিয়া পোষ্টৰ বাবে 'ছ’ৰী’ বুলি কৈ অৱশেষত ৰাজহুৱাকৈ ক্ষমা বিচাৰিলে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। বৃহস্পতিবাৰে নিশা এক টুইটযোগে ক্ষমা বিচাৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। ক্ষমা বিচাৰি কৰা টুইটটোত মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ছ’চিয়েল মিডিয়া চোৱা-চিতাৰ দায়িত্বত থকা টীমৰ এজন সদস্যই গীতৰ শ্লোক ভুলকৈ অনুবাদ কৰি পোষ্ট কৰিছিল বুলি মন্তব্য কৰা দেখা গৈছে। সম্প্ৰতি ডিলিট কৰি দিয়া উক্ত পোষ্টটোত গীতাৰ এটি শ্লোকৰ উধৃতিৰে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যৰ সেৱা-শুশ্ৰূষা কৰাটোৱেই শূদ্ৰসকলৰ স্বাভাৱিক কৰ্ম বুলি উল্লেখ আছিল। এই সচেতন নেটিজেন আৰু বিৰোধী নেতাসকলৰ সমালোচনাৰ সন্মুখীন হোৱাৰ অন্তত পোষ্টটো ডিলিট কৰিবলৈ বাধ্য হৈ পৰা মুখ্যমন্ত্ৰীয়ে নিজৰ স্থিতিও স্পষ্ট কৰি দিয়ে। ক্ষমা বিচাৰি লিখা পোষ্টটোত হিমন্ত বিশ্ব শৰ্মাই লিখিছে যে তেওঁ ছ’চিয়েল মিডিয়াত কৰা এটি পোষ্ট ডিলিট কৰিছে। তেওঁ লিখিছে, 'মই নিয়মীয়াকৈ প্ৰতিদিনেই পুৱা নিজৰ ছ’চিয়েল মিডিয়া একাউণ্টত শ্ৰীমদভগৱদগীতাৰ শ্লোক আপলোড কৰি আহিছো। এতিয়ালৈকে মই ৬৬৮টা শ্লোক পোষ্ট কৰিছো। শেহতীয়াকৈ মোৰ টীমৰ এজন সদস্যই শ্ৰীমদভগৱদগীতাৰ ১৮সংখ্যক অধ্যায়ৰ ৪৪নং শ্লোকটো ভুলকৈ অনুবাদ কৰি পোষ্ট কৰিছিল।’ তেওঁ আৰু লিখিছে, 'যেতিয়াই এই কথা জানিব পাৰিলো, লগে লগে মই পোষ্টটো ডিলিট কৰি দিও। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত হোৱা সমাজ সংস্কাৰৰ আন্দোলনৰ ফলশ্ৰুতিত অসমে জাত-পাতবিহীন এখন আদৰ্শ সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰি আহিছে। যদিহে ডিলিট কৰা উক্ত পোষ্টটোৱে কাৰোবাৰ অন্তৰত আঘাত হানিছে তেন্তে মই সেই সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।’ উল্লেখ্য যে, ২৬ ডিচেম্বৰৰ পুৱা হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমদভগৱদগীতাৰ এটি শ্লোক নিজৰ ছ’চিয়েল মিডিয়াত পোষ্ট কৰিছিল। অষ্টাদশ অধ্যায়ৰ সন্যাস যোগৰ ৪৪নং শ্লোকৰ উধৃতিৰে এটি শ্লোক লিখা আছিল। শ্লোকটোত লিখা হৈছিল, 'কৃষিকৰ্ম, গো-পালন, বাণিজ্য- এইসমূহ হৈছে বৈশ্যৰ স্বভাৱজাত তথা স্বাভাৱিক কৰ্ম আৰু ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য- এই তিনি বৰ্ণক শুশ্ৰূষা কৰাটো হৈছে শূদ্ৰৰ স্বাভাৱিক কৰ্ম।’ এই গ্ৰাফিক্স শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেচবুক-টুইটাৰত কেপশ্যনত লিখিছিল, 'স্বয়ং ভগৱান শ্ৰীকৃষ্ণই বৰ্ণনা কৰিছে বৈশ্য আৰু শূদ্ৰৰ স্বাভাৱিক কৰ্মৰ প্ৰকাৰ।’ মুখ্যমন্ত্ৰীৰ এই বিতৰ্কিত পোষ্টটোক লৈ এআইএমআইএমৰ মুৰব্বী আছাদুদ্দিন ওৱেচিয়েও প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। তেওঁ নিজৰ ছ’চিয়েল মিডিয়া একাউণ্টযোগে কয় যে ডিলিট কৰা পোষ্টটোৰ পৰাই অসমৰ মুখ্যমন্ত্ৰীৰ সমাজক লৈ কি ধাৰণা তাৰ উমান পাব পাৰি।




চাৰিচকীয়া বাহেনেৰে গুৱাহাটীলৈ ড্ৰাগছ সৰবৰাহৰ সময়তে শিলচৰত চাৰিজনক গ্ৰেপ্তাৰ

# হিন্দু পুৰুষে মুছলমান নাম লৈ কৰালে দ্বিতীয় বিবাহ

## বিয়া বন্ধ কৰাবলৈ দৌৰি থানা পালে প্ৰথমা পত্নী!

**লক্ষ্ণৌ, ২৯ ডিচেম্বৰঃ** স্বামীক 'বলপূৰ্বক' ধৰ্মান্তৰকৰণ কৰি বাধ্য কৰোৱা হৈছে মুছলমান মহিলাক বিয়া পাতিবলৈ! এই অভিযোগেৰে আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছে উত্তৰ প্ৰদেশৰ হামিৰপুৰ জিলাৰ এগৰাকী নায়ব তহচিলদাৰৰ পত্নীয়ে। ইতিমধ্যে মহিলাগৰাকীৰ অভিযোগৰ ভিত্তিত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে কোতৱালি আৰক্ষীয়ে। কাণপুৰ নগৰৰ হনুমন্ত বিহাৰৰ নিৱাসী আৰতি গুপ্তাই আৰক্ষীক দিয়া এজাহাৰত কয় যে তেওঁৰ স্বামী আশীষ কুমাৰ গুপ্তাক হামিৰপুৰৰ মৌদাহা তহচিলত নায়ব তহচিলদাৰ হিচাপে নিযুক্তি দিয়া হৈছিল। কিন্তু যোৱা প্ৰায় ৪ মাহ ধৰি ঘৰলৈ অহা নাই স্বামী। আৰক্ষীৰ মতে, আশীষ কুমাৰ গুপ্তাৰ কোনো সন্ধান এতিয়াও পোৱা নাই। আৰক্ষীৰ তথ্য অনুসৰি আৰতিয়ে তেওঁৰ এজাহাৰত কয় যে তেওঁৰ স্বামীক ‘জোৰ-জবৰদস্তি’ ইছলাম ধৰ্ম গ্ৰহণ কৰি ৰুখছাৰ নামৰ এগৰাকী মুছলমান মহিলাৰ সৈতে বিবাহপাশত আবদ্ধ কৰা হৈছে। আৰক্ষীয়ে জনোৱা মতে, নায়ব তহচিলদাৰকে ধৰি ৫জন লোকৰ লগতে প্ৰায় ছয়জন অচিনাক্ত লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। আৰক্ষীয়ে জনোৱা মতে, মৌদাহাৰ স্থানীয় মছজিদৰ এজন মৌলবীকে ধৰি দুজনক আটক কৰি সোধা পোছা কৰা হৈছে। আৰতি গুপ্তাই আৰক্ষীক জনোৱা মতে, তেওঁৰ স্বামীৰ সম্পৰ্ক আছিল ৰুখছাৰ নামৰ এগৰাকী মহিলাৰ সৈতে। মহিলাগৰাকীয়ে অভিযোগ কৰে যে, ২৪ ডিচেম্বৰত ৰুখছৰৰ পিতৃ, মহাক মুন্না, মৌধাৰ স্থানীয় মছজিদৰ মৌলৱী বাবু আধাতি আৰু আন চাৰি-পাঁচজন লোকে বলপূৰ্বকভাৱে আশীষক ধৰ্মান্তৰিত কৰাৰ লগতে আশীষক ৰুখছাৰৰ সৈতে অনৈতিকভাৱে বিয়া পাতি দিয়ে। আৰক্ষীৰ এক বিবৃতি অনুসৰি এই সন্দৰ্ভত ভাৰতীয় দণ্ডবিধিৰ প্ৰাসংগিক ধাৰা আৰু উত্তৰ প্ৰদেশৰ অবৈধ ধৰ্মান্তৰকৰণ নিষেধাজ্ঞা আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। স্থানীয় ৰাইজৰ মতে, আশীষ মৌদাহা চহৰৰ এটা মছজিদতো নামাজ আদায় কৰিবলৈ গৈছিল। মছজিদৰ মুজ্জিন মহম্মদ মুস্তাকে জনোৱা মতে, এজন অচিনাকি ব্যক্তিয়ে মছজিদলৈ আহি নমাজ আদায় কৰিছিল। তেওঁলোকে কয় যে তেওঁ নিজৰ নাম মহম্মদ ইউছুফ বুলি কয় আৰু তেওঁ নিজকে কানপুৰৰ বাসিন্দা আৰু মৌদাহাৰ নায়ব তহচিলদাৰ বুলি পৰিচয় দিছিল। ইফালে তহচিলদাৰ বলৰাম গুপ্তাই কয় যে আশীষ গুপ্তাই মছজিদত নামাজ আদায় কৰাৰ দাবীৰ সত্যাসত্যতা নিৰূপণ কৰিব পৰা হোৱা নাই। তদন্তৰ অংশ হিচাপে মৌদাহাৰ স্থানীয় লোকৰ বক্তব্য লিপিবদ্ধ কৰা হৈছে। গুপ্তাই বলপূৰ্বকভাৱে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল নে ৰুখছাৰৰ সৈতে থকা সম্পৰ্কক বৈধতা প্ৰদান কৰিবলৈ তেওঁ নিজৰ ইচ্ছামতে তেনে কৰিছিল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। আৰক্ষীয়ে জনোৱা মতে, সকলো দিশৰ তদন্ত চলি আছে।



নিজকে মুছলমান বুলি দেখুৱাবলৈ এনেদৰে নামাজ পঢ়িবলৈ গৈছিল হিন্দু বিবাহিত পুৰুষ আশীষ কুমাৰে

# চুক্তিৰ জৰিয়তে সকলো সমস্যা সমাধান কৰিব নোৱাৰি

## চুক্তিক লৈ ক'লে ডঃ হীৰেন গোহাঁইয়ে

**ই-সংবাদ, গুৱাহাটী, ২৯ ডিচেম্বৰঃ** দিল্লীত আলফা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত চুক্তি স্বাক্ষৰ কৰা বিষয়টোক লৈ ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱী ডঃ হীৰেন গোহাঁয়ে নিজ মতামত ব্যক্ত কৰিছে। এই চুক্তিয়ে অসমৰ সকলো সমস্যা সমাধান কৰিব নোৱাৰে কিন্তু যিমান হাচিল কৰিব পাৰে সিমান ভাল বুলি কয় বুদ্ধিজীৱী ডঃ হীৰেন গোহাঁয়ে। শুকুৰবাৰে গুৱাহাটীত সাংবাদিকৰ সৈতে মুখামুখি হৈ গোহাঁয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰদান কৰি কয় যে চুক্তি কাৰ্যকৰী কৰাৰ শক্তি আছে মাথো পুঁজিপতিৰ। চুক্তিক পুঁজিপতিয়ে কিদৰে বিচাৰে তাৰ ওপৰত নিৰ্ভৰ কৰে। চুক্তি কাৰ্যকৰী কৰিবলৈ এখন উচ্চ পৰ্যায়ৰ নিৰীক্ষণ সমিতি থাকিব লাগিব, তেতিয়া চুক্তি কাৰ্যকৰী হয়। চুক্তিক ২৪ৰ নিৰ্বাচনত প্ৰচাৰ নকৰিবলৈ আহ্বান জনাই গোহাঁয়ে কয় যে চুক্তি হোৱা মানে কাৰ্যকৰী নহয়। চুক্তি কাৰ্যকৰী কৰি চৰকাৰে নিজ নৈতিক দায়িত্ব পালন কৰক। আনহাতে চুক্তিত উল্লেখ থকা বিষয়সমূহক লৈ চনদ তৈয়াৰ কৰাৰ কথাও উল্লেখ কৰি এই চনদ ১২ বছৰ পূৰ্বে সম্পন্ন হৈছিল বুলি কৈ গোহাঁয়ে কয় যে চনদত কোনবোৰ কথা আছে মোৰ মনত নাই। কিন্তু ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীসমূহৰ বাবে দ্বিতীয় সদন স্থাপন, জনগোষ্ঠীসমূহৰ সামগ্ৰীক উন্নয়ন, প্ৰাকৃতিক সম্পদসমূহ কেৱল অসমৰ, অসমীয়াৰ সংস্থাপন কৰাৰ কথা উল্লেখ আছিল। কিন্তু নাগৰিকত্বৰ ভিত্তিবৰ্ষ ১৯৫১ চন হোৱাৰ কথাটো উল্লেখ নাছিল। আনহাতে এই চুক্তিৰ দ্বাৰা কিছু আশা কৰি বুদ্ধিজীৱি গোহাঁয়ে কয় যে চুক্তিৰ জৰিয়তে যিমান কাম হাচিল কৰিব পাৰে সেয়া অসমৰ বাবে ভাল। এই চুক্তিৰ জৰিয়তে অসমৰ সকলো সমস্যা সমাধান কৰিব বুলি আশা কৰিব নোৱাৰি বুলিও চিন্তা ব্যক্ত কৰে ডঃ হীৰেন গোহাঁয়ে। উল্লেখ্য যে, আজি নতুন দিল্লীৰ নতুন দিল্লীৰ নৰ্থ ব্লকত গৃহমন্ত্ৰীৰ অমিত শ্বাহৰ উপস্থিতিত আলফা স্বাধীনৰ সৈতে ভাৰত চৰকাৰে ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰে। অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু আলফাৰ আলোচনাপন্থী গোটৰ সভাপতি অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বৰ ১৬জনীয়া গোটৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়।

# ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত উপস্থিত থাকিব ছোনিয়া!

## কংগ্ৰেছৰ শীৰ্ষ সূত্ৰৰ বিশেষ মন্তব্য

**নতুন দিল্লী, ২৯ ডিচেম্বৰঃ** ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত বিৰোধী দলৰ শীৰ্ষ নেতাসকল উপস্থিত থাকিব নে নাই তাকে লৈ উৎসুকতা অব্যাহত আছে। ২২ জানুৱাৰীত অযোধ্যাত অনুষ্ঠিত হ'বলগীয়া ভব্য কাৰ্যসূচীত দেশৰ বিৰোধী দলৰ সকলো নেতাকে আমন্ত্ৰণ জনোৱা হৈছে। কংগ্ৰেছ নেত্ৰী তথা ইউপিএৰ অধ্যক্ষ ছোনীয়া গান্ধীকো আমন্ত্ৰণ জনোৱা হৈছে। ছোনিয়া গান্ধীয়ে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত উপস্থিত থাকিব পাৰে বুলি এটা সূত্ৰই দাবী কৰিছে। ছোনীয়া গান্ধীয়ে ২২ জানুৱাৰীত অযোধ্যাত অনুষ্ঠিত হ'বলগীয়া প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পাৰে। আগন্তুক লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত অংশ ল'ব বুলি ধাৰণা কৰা হৈছে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেকে ধৰি বহু কংগ্ৰেছ নেতাক ৰাম লাল্লাৰ প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীত যোগদান কৰিবলৈ আমন্ত্ৰণ পত্ৰ প্ৰেৰণ কৰা হৈছে। অৱশ্যে, ৰাম মন্দিৰত কোন কংগ্ৰেছ নেতাই কাৰ্যসূচীত উপস্থিত থাকিব সেয়া এতিয়াও আনুষ্ঠানিকভাৱে নিশ্চিত কৰা হোৱা নাই। ২২ জানুৱাৰীৰ অযোধ্যাৰ ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠানত কংগ্ৰেছৰ শীৰ্ষ নেতাসকল উপস্থিত থাকিব নে নাই সেই সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰা নাই। অৱশ্যে আমন্ত্ৰণৰ বাবে কৃতজ্ঞ জ্ঞাপন কৰিছে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ছোনিয়া গান্ধী আৰু লোকসভাৰ দলপতি অধীৰ ৰঞ্জন চৌধুৰীক ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠানৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে। শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসে নিমন্ত্ৰণ জনাইছে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে.চি বেণুগোপালে এখন সংবাদমেলত দলৰ নেতাসকলে অনুষ্ঠানটোত উপস্থিত থাকিব নে কি বুলি সোধাত কয় যে দলৰ স্থিতি শীঘ্ৰে জানিব পাৰিব। উল্লেখ্য যে ইণ্ডিয়া মিত্ৰজোঁটৰ অংশীদাৰ বাওদলসমূহে বিজেপিয়ে ৰাম মন্দিৰৰ নামত ভোট বিচৰাৰ অভিযোগ তুলি উক্ত অনুষ্ঠানত ভাগ নলয় বুলি স্পষ্ট কৰি দিছে।

# সুখৰ সন্ধানত! এলন মাস্কৰ পৰা হেনৰী মিলাৰলৈ

## নিজৰ বাবে সুখ বিচাৰি ল'ব জনা মানুহৰ কথা সুকীয়া৷ তেওঁলোকৰ পথ নিজা৷ বিচাৰি বিচাৰি গৈ ক'ত জিৰাব লাগিব খন্তেক, ক'ত ৰৈ দিব লাগিব তাকো জানে বাবেই তেওঁলোক সুখী৷

■ **প্ৰীতিৰেখা ভূঞা**

এলন মাস্ক নামৰ ব্যক্তিজনে ৩ লাখ ৩৭ হাজাৰ কোটি ধনৰ বিনিময়ত টুইটাৰ ক্ৰয় কৰা খবৰটোত যিমান চমক সৃষ্টি হৈছে সিমানেই চাঞ্চল্যৰ সৃষ্টি কৰিছে তেওঁৰ নিজাকৈ বাসস্থান নথকা কথাটোৱে৷ নিজৰ প্ৰাইভেট জেট বিমানখনত সকলো অত্যাধুনিক সা-সুবিধা ৰাখিছে যদিও মাস্কৰ নিজাকৈ থাকিবলৈ ঘৰ নথকাত প্ৰয়োজন অনুসৰি তেওঁ বন্ধুবোৰৰ ঘৰেত কটায়৷ সাধাৰণ মানুহতকৈ পৃথককৈ নিজৰ জীৱনৰ সুখ-সাফল্য নিৰ্ধাৰণ কৰা বাবে তেওঁ ইতিমধ্যে ব্যতিক্ৰম হৈ পৰিল৷ তেওঁৰ বাবে সুখৰ হিচাপো হয়তো ব্যতিক্ৰম৷  সুখক জুখিব পাৰি। জোখাটো ইতিমধ্যেই হিচাপত পৰিণত হৈছে৷ তালিকা এখনৰ কোনোবা এটা ঘৰত সুখৰ সূচাংক লিখাৰ নিয়ম আছে৷ হেজাৰ বছৰ হেজাৰ উপায়েৰে সুখৰ সংজ্ঞা নিৰ্ধাৰণ কৰিবলৈ চেষ্টা চলাই থকা হৈছে আৰু তাৰ বিপৰীতে সুখৰ নতুন নতুন সূত্ৰৰ উদ্ভাৱন হৈ আহিছে৷ আদিম মানুহৰ বাবে যদি এটুকুৰা পোৱা মাংস, গছৰ ছাল এটুকুৰাই সুখৰ আকৰ আছিল, আজিৰ তাৰিখত আধুনিক মানুহৰ বাবে সুখৰ সূত্ৰটো লুকাই থাকে আকাশৰো ওপৰত কিবা যদি আছে তাক পোৱাৰ সীমাহীন আকাংক্ষাৰ মাজত৷ হৰমননিৰ্ভৰ ৰসায়নেৰে স্থিৰ কৰা চিকিৎসা বিজ্ঞানৰ সুখৰ সংজ্ঞা কোনোবা চিকিৎসকেও হয়তো কেতিয়াবা নিজৰ লগতে খাপ খুৱাবলৈ অপাৰগ হয়৷ সুখৰ ব্যাখ্যা দিবলৈ গৈ আজীৱন বিষন্ন হৈ ৰয় দাৰ্শনিক৷ চৰম সুখ-শান্তিৰ সন্ধান অথবা মোক্ষ প্ৰাপ্তিক লৈ বৈদিক সাহিত্য, ভাৰতীয় দৰ্শনৰ বহমাত্ৰিক মত৷ পৰমাত্মা (Ultimate soul) আত্মাৰ (Soul)ৰ নিৰ্মল একাত্মবোধ চৰম প্ৰাপ্তি তথা সুখৰ আধাৰ হোৱাতো যেনেকৈ অদ্বৈত বেদান্তকে আদি কৰি আস্তিক দৰ্শনৰ তত্ব, তাৰ বিপৰীতে নাস্তিক চাৰ্বাক দৰ্শনৰ 'আজিৰ দিনটো জীয়াই থকা' নীতিৰ খণ্ডনো সহজ নহয়৷ অথবা সুখৰ অনুভৱ মনোজগতৰ কেৱল কোনোবা এটা পৰ্যায় নেকি৷ নে মগজুৰ সিদ্ধান্ত৷

সুখৰ সূত্ৰ অৱশ্যে যিয়েই নহওক এটা কথা সত্য যে পুজিবাদী সমাজ ব্যৱস্থাত যেতিয়া একেখন সমাজৰ দুটা শ্ৰেণীৰ জীৱনযাত্ৰাৰ মাজৰ পাৰ্থক্য পাহাৰৰ সমান হয়গৈ, মধ্যবিত্তীয়ৰ জীয়াই থকাই কঠিন হৈ পৰে, সেইখন সমাজৰ পৰা আচলতে সাৰ্বজনীন সুখ অন্তৰ্ধান হয়৷ আয়তনত বিশাল ন'হলেও, জনবলেৰে বলবান ন'হলেও পিছে সমাজ এখন সুখী হ'ব পাৰে৷ তাৰ উদাহৰণ দেখুৱাইছে ফিনলেণ্ডে৷ মাত্ৰ প্ৰায় ৫৫ লাখ জনসংখ্যাৰ দেশখন ক্ৰমে পঞ্চমবাৰৰ বাবে বিশ্বৰ সুখী দেশ হিচাপে পৰিগণিত হৈছে৷ ৰাষ্ট্ৰসংঘৰ পৰা পোৱা ধাৰাবাহিক স্বীকৃতিৰ বাবে সৰু দেশখনে বিশ্বৰ দৃষ্টি কাঢ়িব পাৰিছে৷ উত্তৰ গোলাৰ্ধত বছৰি প্ৰায় ২০০ দিন শীতত কঁপি থকা, -৫০ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত শীতলতাত জীয়াই থকা ফিনলেণ্ডৰ বাসিন্দা সুখী হোৱাৰ ৰহস্য উদ্ঘাটনৰ চেষ্টা চলোৱা হৈছে৷ বিশ্বৰ সবাতোকৈ সুখী দেশ হ'লেও দিনৰ পাছত দিন সূৰ্যৰ পোহৰ নপৰা দেশখন কিন্তু ১৯৯০ চনৰ পৰিসংখ্যা অনুযায়ী বিশ্বৰ সৰ্বোচ্চ আত্মহত্যাপ্ৰৱণ দেশ হিচাপেও পৰিগণিত হৈছিল৷

প্ৰসংগতঃ শীত আৰু অন্ধকাৰাচ্ছন্নতাৰ সৈতে বিষন্নতা আৰু আত্মহত্যাৰ প্ৰৱণতাৰ গভীৰ যোগসূত্ৰ আছে৷ কিন্তু বৰ্তমান এই প্ৰৱণতা তাত আশ্চৰ্যকৰভাৱে হ্ৰাস পালে৷ দেশখনত জন্মহাৰো কম৷ এগৰাকী নাৰীয়ে গড়ে জন্ম দিয়ে ১.৬ টি শিশু৷ সকলো মিলি ফিনলেণ্ডৰ এই পৰিসংখ্যা মূলতঃ আশাব্যঞ্জক নহয়৷ তথাপি ফিনলেণ্ড বিশ্বৰ সৱাতোকৈ সুখী দেশ৷ ফিনলেণ্ডবাসী নিশ্চয় জন্মগতভাৱে সুখী নহয়, অৰ্থাৎ তেওঁলোকৰ জিনত সুখৰ প্ৰৱণতা অধিক বুলি বিবেচনা কৰিব নোৱাৰি৷ জিনগত কোনো ব্যাপাৰ নহয়, জীৱনযাত্ৰাৰ সহজ আৰু সুন্দৰ ধৰণৰ বাবেহে ফিনলেণ্ড সুখী দেশ হৈ উঠিব পাৰিছে৷ উল্লেখযোগ্য যে জীৱনযাত্ৰাৰ বিশেষ কেতবোৰ দিশৰ ওপৰত নিৰ্ভৰ কৰি কোনো দেশৰ সুখৰ মাত্ৰা নিৰ্ধাৰণ কৰা হয়৷ উপাৰ্জন, স্বাধীনতা, বিশ্বাস, গড় আয়ুস, সামাজিক সমৰ্থন আৰু মহানুভৱতা আদি এনেধৰণৰ কাৰক৷ ইয়াৰ উপৰি ফিনলেণ্ডৰ মানুহৰ সুখৰ প্ৰধান উৎস সামাজিক নিৰাপত্তা, ৭ বছৰত আৰম্ভ হোৱা, ১৬ বছৰৰ পূৰ্বলৈ আনুষ্ঠানিক পৰীক্ষাবিহীন, চাপবিহীন শিক্ষাব্যৱস্থা৷ ভান্তাৰ দৰে চহৰত পুথিভঁৰাললৈ যোৱা মানুহৰ সংখ্যা ১৪ শতাংশ বাঢ়িছে৷ যুৱপ্ৰজন্মক আগ্ৰহী কৰাৰ বাবে পুথিভঁৰালত কম খৰচত বিভিন্ন সা-সুবিধা দিয়াও হৈছে৷ ফিনলেণ্ডৰ বাসিন্দাৰ ধনী হোৱাৰ প্ৰতিযোগিতাত নিগনি দৌৰতকৈ সুখী, সুন্দৰ আৰু সাধাৰণ জীৱন অধিক পছন্দ৷ অৱশ্যে জীয়াই থকাৰ প্ৰয়োজনবোৰ যেনে অসুস্থ হ'লেই স্বাস্থ্যসেৱা লাভ, সন্তানৰ বাবে লেখা-পঢ়াৰ উচিত সুযোগ, মনৰ পূৰ্ণতা আনিব পৰা এটা চাকৰি,ব্যস্ততাৰ মাজতো প্ৰিয়জনৰ সৈতে সময় কটাব পৰা সুবিধাকে আদি কৰি পাৰ্থিব-অপাৰ্থিৱ প্ৰয়োজনবোৰ পূৰাব পৰাকৈ ফিনলেণ্ডবাসী সক্ষম৷ সামাজিক বিনয়ী গুণটোৰ গৰাকী মানুহবোৰে যেন নিজৰ সুখৰ উৎস আৰু সীমা দুয়োটাই উপলব্ধি কৰিব জানে৷

নিজৰ বাবে সুখ বিচাৰি ল'ব জনা মানুহৰ কথা সুকীয়া৷ তেওঁলোকৰ পথ নিজা৷ বিচাৰি বিচাৰি গৈ ক'ত জিৰাব লাগিব খন্তেক,ক'ত ৰৈ দিব লাগিব তাকো জানে বাবেই তেওঁলোক সুখী৷ ক্ৰয় কৰা সুখৰ প্ৰতিযোগিতাৰ পৰা তেওঁলোক দূৰত৷ ইতিমধ্যে তথাকথিত সুখৰ পৰিধিৰ বাহিৰলৈ গৈ কোনটো বিন্দুত কেনেকৈ ৰৈ গ'লে সুখৰ নতুন সংজ্ঞা এটা নিৰ্ধাৰণ কৰিব পাৰি তাক আয়ত্ব কৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে এগৰাকী টেনিছ তাৰকাই৷ কিছুদিন পূৰ্বে ক্ৰীড়াজগতক অবাক কৰি বিশ্বৰ এক নম্বৰ মহিলা টেনিছ খেলুৱৈ এছলেই বাৰ্টীয়ে মাত্ৰ ২৫ বছৰ বয়সত টেনিছৰ পৰা অৱসৰ গ্ৰহণ কৰিলে৷ তিনিবাৰৰ গ্ৰেণ্ডস্লাম বিজয়ী বাৰ্টিৰ সিদ্ধান্তই আচলতে সূচায়? কেৰিয়াৰৰ সৰ্বোচ্চ স্থানত উপনিত হোৱা তাৰকাগৰাকীৰ সমুখত অধিক চমকৰ বাবে আছিল দশকতকৈয়ো অধিক সময়৷ তেনেস্থলত তেওঁৰ বাবে আচম্বিতে বিদায় কেনেদৰে সুখকৰ হ'ল৷ নিজৰ বিদায়বাৰ্তা দিবলৈ গৈ বাৰ্টিয়ে উচ্চাৰণ কৰা শব্দকেইটাই জীৱনৰ বহু কথাই ইংগিত কৰে৷ তাৰকাগৰাকীৰ বাবে সুখৰ পৰিধি, সন্তোষৰ বৃত্ত পৃথক৷ তেওঁক পূৰ্ণতা দিয়া, গৰ্বিত কৰা টেনিছক আদবাটতে বিদায় দি উঠাৰ প্ৰৱণতা তেওঁৰ ব্যতিক্ৰম জীৱন দৰ্শনৰ পৰিচায়ক৷ ইচ্ছা কৰা হ'লে তেওঁ টেনিছৰ আৰু অনেক অভিলেখৰ গৰাকী হ'ব পাৰিলেহেঁতেন৷ টেনিছেৰেই তেওঁৰ ঐশ্বৰ্যৰ পথ আছিল মসৃণ৷ কিন্তু গ্লেমাৰৰ চিকমিকনি আৰু মাত্ৰাধিক পাৰ্থিৱ স্বাচ্ছন্দ্যৰ সীমাহীন আকাংক্ষা অতিক্ৰমি মূলতঃ পৰিয়ালৰ সৈতে সময় অতিবাহিত কৰাৰ অত্যুগ্ৰ হেঁপাহৰ বাবেই তেওঁ টেনিছৰপৰা আঁতৰাৰ খবৰ আহিছে৷ নিজে নিজৰ বাবে বিপৰীতমুখী পথ এটাও বাচি ল'বলৈ এই তৰুণী নাৰাজ৷ এয়াও হয়তো অন্য একধৰণৰ সুখৰ সন্ধান৷

মানুহে যেতিয়াই নিজৰ ক্ষেত্ৰত প্ৰযোজ্য সুখৰ সংজ্ঞা অনুধাৱন কৰিব পাৰে, তাতেই প্ৰাপ্তিৰ সুখ৷ খ্যাতিৰ পাৰ ভগা সমুদ্ৰৰ মাজতো বিশৃংখল উন্নাসিক, অস্থিৰ জীৱন এটা বাচি লোৱা আমেৰিকান লেখক হেনৰী মিলাৰ৷ নিজকে একেসময়তে নিস্বঃ আৰু পৃথিৱীৰ সৱাতোকৈ সুখী মানুহ বুলিয়েতো গণ্য কৰিছিল--'I have no money, no resources, no hopes. I am the happiest man alive. সুখৰ কি মৰাত্মক দ্বন্দ! কি দৰ্শন! মিলাৰক অস্বীকাৰ কৰিব নোৱাৰি৷ ভাৰতীয় মানুহো সুখী নোহোৱাৰ প্ৰধান কাৰণ মানসিক দ্বন্দৰ ওপৰত উল্লেখ কৰা সুখৰ তালিকাত ভাৰত ১৩৬নং স্থানত৷ ৰাগ-অভিমান দুখৰ পৰিমাণ ভাৰতীয়ৰ মাজত বেছি৷ কিয়? ইয়াৰ উত্তৰটোৰ বাবে অলপ আগলৈ যাব লাগিব৷ প্ৰায় সত্তৰৰ দশকৰ পৰাই ভাৰতৰ অৰ্থনীতিৰ দুৰ্বল৷ যুৱসমাজৰ মাজত হতাশা, ক্ষোভ হতাশাৰ ভয়ানক পৰিস্থিতি৷ সকলো অমিতাভ বচ্চন অথবা তেণ্ডুলকাৰৰ দৰে মিৰাকল হ'ব নোৱাৰে৷ সেয়ে য'ত জীৱনৰ নিৰাপত্তাৰে অভাৱ৷ অৰ্থনৈতিক গাঁথনি ভয়াৱহ, তাত সুখৰ চিকমিকনি অবাস্তৱ।

■ সম্পাদকীয় ■

শুকুৰবাৰ,
২৯ ডিচেম্বৰ, ২০২৩।।
নিশা ১০ বজা

# অশ্বডিম্বত পৰিণত চুক্তি!

**ৰংঘৰৰ বাকৰিত প্ৰতিষ্ঠা হোৱা আলফাৰ আলোচনাপন্থী গোটটোৱে শুকুৰবাৰে আবেলি ৫ বজাত ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰে৷ নতুন দিল্লীত দুটা দিন বাহৰ পতাৰ অন্তত স্বাক্ষৰিত হয় এই বহু প্ৰতীক্ষিত চুক্তি৷ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আলফাৰ আলোচনাপন্থী গোটটোৱে ত্ৰিপাক্ষিক চুক্তিখনত স্বাক্ষৰ কৰে৷ চুক্তি স্বাক্ষৰৰ সময়ত আলফা নেতা অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া, শশধৰ চৌধুৰী, প্ৰদীপ গগৈ, চিত্ৰবন হাজৰিকা, মিথিংগা দৈমাৰী, প্ৰণতি ডেকা, ৰাজু বৰুৱা, অপুৰ্ব বৰুৱা, বিজু ডেকা, প্ৰাণজিৎ শইকীয়া, অণ্টু চাওদাং, প্ৰদ্যুৎ গোহাঁই, পল্লৱ শইকীয়া, মৃণাল হাজৰিকা, দেৰহাগ্ৰা বসুমতাৰী উপস্থিত আছিল৷ ব্যাপক উৎসাহিত হৈ আলোচনাপন্থী আলফাৰ নেতাসকলে এই চুক্তিত স্বাক্ষৰ কৰা দেখা যায়৷ নতুন দিল্লীৰ নৰ্থ ব্লকত মূলসুঁতিলৈ ওলাই অহাৰ ১২ বছৰৰ অন্তত ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰিত হয়৷ অসমৰ ৰাইজে বিচৰা থলিগিৰিৰ সুৰক্ষাৰ বিষয়সমূহ চুক্তিত থাকিব নে নাই তাকে লৈ বিভিন্নজনে সমাজিক মাধ্যমত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে৷ ৰাজনৈতিক ৰক্ষাকৱচ, প্ৰব্ৰজনকাৰীক চিনাক্ত কৰি বহিস্কাৰ কৰা, নাগৰিকত্ব সংশোধনী আইন অসমত কাৰ্যকৰী নকৰা, আন্তঃৰাজ্যিক পাৰপত্ৰ ব্যৱস্থা, থলুৱাৰ বাবে লোকসভা-বিধানসভাৰ আসন সংৰক্ষণ, বানপানী-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ৰূপে ঘোষণা, চাহপাতৰ নিলাম কেন্দ্ৰ অসমলৈ স্থানান্তৰ, ৰাজ্যিক সীমাবিবাদ নিষ্পত্তি, সম্পদৰ ওপৰত সম্পূৰ্ণ অধিকাৰ এই বিষয়সমূহ চুক্তিত সন্নিৱিষ্ট হ'ব নে নাই তাকে লৈ উৎসুক হৈ পৰিছিল৷ সন্ধানহীন আলফা নেতাৰ সন্ধান, আলফাৰ নামত নিৰ্যাতনৰ বলি হোৱা পৰিয়ালক সাহায্য, শ্বহীদ আলফাৰ নেতা-কেডাৰক পৰিয়ালক সাহায্য আদি বিষয়সমূহ চুক্তিত হ'ব নে নাই তাকে লৈ দৃষ্টি দিছিল অসমীয়াই৷ কিন্তু শেষত এনে বিষয়সমূহ এই চুক্তিত সন্নিৱিষ্ট নোহোৱাত হতাশ হৈ পৰিবলৈ বাধ্য হৈ পৰিছে সচেতন অসমীয়া।**



# পুনৰ জেডিইউৰ সভাপতি পদত অধিষ্ঠিত নীতিশ কুমাৰ

**পাটনা, ২৯ ডিচেম্বৰঃ** দেশত ক্ৰমে বলিব ধৰিছে লোকসভা নিৰ্বাচনৰ বতাহ৷ শাসকীয় দল বিজেপিৰ লগতে বিৰোধী দলসমূহৰ ঐক্য মঞ্চ 'ইণ্ডিয়া'ই কঁকালত টঙালি বান্ধিছে৷ এনে সময়তে ইণ্ডিয়াৰ অন্যতম অংশীদাৰ দল বিহাৰৰ শাসকীয় দল জেডিইউত শীৰ্ষ পদবীক লৈ আৰম্ভ হৈছিল ব্যাপক জল্পনা-কল্পনা কৰিছিল৷ সেই জল্পনা-কল্পনাৰ ইতি পেলাই আজি জেডিইউৰ সভাপতি সলনি কৰা হয়৷ বিহাৰৰ মুখ্যমন্ত্ৰী তথা জেডিইউৰ প্ৰতিষ্ঠাকলৰ নেতা নীতিশ কুমাৰক দলটোৰ নতুন সভাপতি নিৰ্বাচিত কৰা হয়৷ আজি বৰ্তমানৰ সভাপতি লালন সিঙে আনুষ্ঠানিকভাৱে সভাপতি পদ ত্যাগ কৰাৰ পাছতে দলৰ নতুন সভাপতি ৰূপে নীতিশ কুমাৰক নিৰ্বাচিত কৰা হয়৷ সততে বিজেপি দল আৰু চৰকাৰৰ নীতিৰ বিৰুদ্ধে সৰৱ ভূমিক পালন কৰি অহা লোকসভাৰ সাংসদ লালন সিঙক সভাপতি পদৰ পৰা আঁতৰাব বুলি চৰ্চা হৈ আহিছিল৷ সদনৰ ভিতৰতো বিজেপি চৰকাৰৰ নীতিক আক্ৰমণাত্মক ৰূপত সমালোচনা কৰিছিল লালন সিঙে৷ তেনে সময়তে লালন সিঙক দলৰ শীৰ্ষ পদবীৰ পৰা আঁতৰোৱাৰ খবৰ প্ৰকাশ পাইছিল৷ ইপিনে নীতিশ কুমাৰ ইণ্ডিয়া মিত্ৰজোঁটক লৈ অসন্তুষ্ট হোৱা বুলি খবৰ প্ৰকাশ পাই আহিছে৷ মমতা বেনাৰ্জীয়ে কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেক প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী কৰাৰ প্ৰস্তাৱ দিয়া বাবেই নীতিশ কুমাৰ অসন্তুষ্ট হৈ পৰা বুলি প্ৰচাৰ হৈ থকাৰ সময়তে বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ থকা দলৰ সভাপতি লালন সিঙক দলৰ শীৰ্ষ পদবীৰ পৰা আতৰ কৰা হৈছে৷ আজি দিল্লীত অনুষ্ঠিত জেডিইউৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সমিতিৰ বৈঠক অনুষ্ঠিত হয়৷ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু লালন সিং একেলগে উপস্থিত হয়। নীতিশ কুমাৰ দলীয় কাৰ্যালয়ত উপস্থিত হোৱাত নেতা-কৰ্মীসকলে নীতিশ কুমাৰ জিন্দাবাদ শ্ল'গান দিয়ে। বৈঠকত লালন সিঙে সভাপতি পদৰ পৰা পদত্যাগ কৰে আৰু কয় যে নিৰ্বাচনত মোৰ সক্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি মই সভাপতি পদৰ পৰা পদত্যাগ কৰিছো৷ সভাপতি পদৰ বাবে নীতিশ কুমাৰৰ নাম প্ৰস্তাৱ কৰাত সৰ্বসন্মতিত নিৰ্বাচিত কৰা হয়। দলৰ জ্যেষ্ঠ নেতা কে.চি ত্যাগীয়ে কয় যে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ দলৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সভাত দলটোৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছে। দীৰ্ঘদিন ধৰি জে.ডি.ইউৰ সাংগঠনিক পৰিৱৰ্তনক লৈ জল্পনা-কল্পনা চলি আছিল। জেডিইউৰ সৈতে চৰকাৰ চলাই থকা সহযোগী ৰাষ্ট্ৰীয় জনতা দল চমুকৈ আৰজেডিৰ সৈতে লালন সিঙৰ ঘনিষ্ঠতা বৃদ্ধি পোৱা বুলি অভিযোগ উত্থাপন হৈছিল৷ সংবাদ মাধ্যমে দাবী কৰিছিল যে বিগত বছৰ আগষ্ট মাহত বিজেপিৰ সৈতে মিত্ৰতা ভংগ কৰি নীতিশ কুমাৰে আৰজেডিৰ সৈতে চৰকাৰ গঠন কৰিছিল৷ ইফালে, আজি লালন সিঙৰ পদত্যাগৰ পিছতে সঘনে শিবিৰ সলনি কৰাত সিদ্ধহস্ত নীতিশ কুমাৰে পুনৰ বিজেপিৰ সৈতে লগলাগি চৰকাৰ গঠন কৰিব পাৰে বুলি বিহাৰত ৰাজনীতিত চৰ্চা চলা দেখা গৈছে।



ফটোঃ ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠানৰ বাবে অযোধ্যাত বাঢ়িছে ব্যস্ততা

# ৰামেশ্বৰমৰ পৰা অযোধ্যা পালে ৰাম মন্দিৰৰ মূল ঘণ্টা

## বৃহৎ আকাৰৰ ঘণ্টাটোৰ ওজন প্ৰায় ৬০০ কেজি

**লক্ষ্ণৌ, ২৯ ডিচেম্বৰঃ** অৱশেষত অন্ত পৰাৰ দিশে কেইবা দশকজোৰা এক প্ৰতীক্ষাৰ। নতুন বছৰৰ প্ৰথমটো মাহতে অযোধ্যাৰ ৰাম জন্মভূমিত অনুষ্ঠিত হ'ব শ্ৰীৰাম মন্দিৰৰ অভিষেক অনুষ্ঠান। ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হৈ উঠিছে ৰাম মন্দিৰৰ নিৰ্মাণৰ কাম। ২০২৪ চনৰ ২২ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব ৰাম মন্দিৰৰ। উল্লেখ্য যে, দেশৰ লগতে বিদেশৰ পৰাও বিভিন্ন ৰূপত ৰাম মন্দিৰলৈ বৰঙণি আগবঢ়াইছে ভক্তপ্ৰাণ লোকে। বৰ্তমান মন্দিৰৰ অভিষেক অনুষ্ঠান সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱাত ব্যস্ত হৈ পৰিছে উত্তৰ প্ৰদেশ চৰকাৰ আৰু মন্দিৰ ন্যাস। অযোধ্যাৰ এই অপেক্ষিত অভিষেক অনুষ্ঠানলৈ লাখ লাখ ভক্তৰ সমাগম ঘটিব বুলি আশা কৰা হৈছে আৰু ইয়াৰ বাবে চৰকাৰে বিশেষ তথা সুনিৰ্দিষ্ট ব্যৱস্থা কৰিছে। ৰাম মন্দিৰ নিৰ্মাণত ব্যৱহাৰ কৰা হৈছে একাধিক বিশেষ সামগ্ৰী। মন্দিৰৰ মূল ঘণ্টাটো তামিলনাডুৰ ৰামেশ্বৰমত নিৰ্মাণ কৰি অযোধ্যালৈ অনা হৈছে। এই বৃহৎ আকাৰৰ ঘণ্টাটোৰ ওজন ৬০০ কিলোগ্ৰামতকৈও অধিক বুলি কোৱা হয়। অতি সোনকালে এই ঘণ্টাটো মন্দিৰত স্থাপন কৰা হ'ব। এই ঘন্টাটো অযোধ্যাৰ কৰ্মশালাত দৰ্শনাৰ্থীসকলে চাবলৈ ৰখা হৈছে। ৰাম মন্দিৰ নিৰ্মাণৰ সকলো বস্তুৰে নিজস্ব বিশেষত্ব আছে। ভগৱান ৰামৰ সিংহাসনখন নিৰ্মাণ কৰা হৈছে ৰাজস্থানৰ অভিজ্ঞ কাৰিকৰৰ দ্বাৰা। লগতে মন্দিৰৰ মুখ্য ধ্বজা স্তম্ভ নিৰ্মাণ কৰা হৈছে গুজৰাটত। ইফালে মন্দিৰ নিৰ্মাণত ব্যৱহৃত প্ৰতিটো শিলত ৰামৰ নাম লিখা আছে। শ্ৰীৰামৰ মূৰ্তি নিৰ্মাণৰ বাবে ২০২৩ চনৰ আৰম্ভণিতে নেপালৰ পৰা বিশেষ শালিগ্ৰাম শিল আমদানি কৰা হৈছিল। ইফালে, মন্দিৰৰ উদ্বোধনী অনুষ্ঠানলৈ দিন যিমানেই চমু চাপিছে সিমানেই কটকটীয়া কৰি তোলা হৈছে অযোধ্যাৰ লগতে সমগ্ৰ উত্তৰ প্ৰদেশৰ নিৰাপত্তা ব্যৱস্থা।

# আলফা 'পিঞ্জৰাবদ্ধ!

## চুক্তিৰ পিছতেই ক'লে প্ৰাক্তন আলফা নেত্ৰীয়ে

**ই-সংবাদ, ২৯ ডিচেম্বৰঃ** আজি নতুন দিল্লীত আলফাৰ আলোচনাপন্থী গোটে ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰ কৰে৷ দুদিন ধৰি নতুন দিল্লীত বাহৰ পাতি ২৯ ডিচেম্বৰৰ আবেলি ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰে আলফাৰ আলোচনাপন্থী গোটটোৱে৷ গৃহমন্ত্ৰী অমিত শ্বাহ আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলফাই কৰা চুক্তিক লৈ উৎসুক হৈ আছিল অসমৰ জনগণ৷ কিন্তু চুক্তিক অসমৰ থলগীৰিৰ সুৰক্ষাৰ হকে বিশেষ একো দফা সন্নিৱিষ্ট নথকাত একাংশ লোক নিৰাশ হৈছে৷ খোদ আলফাৰ নেতা-নেত্ৰী হতাশ হোৱা দেখা গৈছে৷ এগৰাকী আলফা নেত্ৰীয়ে চুক্তি সম্পন্ন হোৱাৰ পাছতে এটা বিশেষ ফেচবুক পোষ্ট দিয়া দেখা গৈছে৷ চুক্তিত স্বাক্ষৰ কৰি থকাৰ সময়তে অসমৰ আলফা নেত্ৰী পৰশমণি হাজৰিকাই এটা বিশেষ তাৎপৰ্যপূৰ্ণ ফেচবুক পোষ্ট দিয়া দেখা গৈছে৷ আলফা নেত্ৰী পৰশমণি হাজৰিকাই তীৰ্যকভাবে আলোচনাত বহা আৰু চুক্তিত স্বাক্ষৰ কৰা নেতাসকলক সমালোচনা কৰিছে৷ আলোচনাত বহা আৰু চুক্তিত স্বাক্ষৰ কৰা নেতাসকলক পিঞ্জৰাবদ্ধ হোৱা বুলি ক্ষোভ ব্যক্ত কৰা ফেচবুক পোষ্টটোত পৰশমণি হাজৰিকাই কয় 'পিঞ্জৰাবদ্ধ, বাকী বহু কথা, অব্যক্ত৷'

সাম্প্ৰতিক

# মুখ্যমন্ত্ৰীৰ ফেচবুক পোষ্টৰ বিৰুদ্ধে ৰাজীৱ ভৱনত প্ৰতিবাদ

## বিতৰ্কিত মন্তব্যক নিন্দা দেৱব্ৰত শইকীয়াৰ

**ই-সংবাদ, গুৱাহাটীঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শূদ্ৰসকলক লৈ কৰা বিতৰ্কিত সামাজিক মাধ্যমৰ পোষ্টৰ বিৰুদ্ধে আজি কংগ্ৰেছে গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত কৰে৷ গুৱাহাটীৰ ৰাজীৱ ভৱন চৌহদত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰে কংগ্ৰেছে৷ কেইবাগৰাকী ৰাজ্যিক পৰ্যায়ৰ নেতা-নেত্ৰীৰ উপস্থিতিত প্ৰতিবাদ সাব্যস্ত কৰি মুখ্যমন্ত্ৰীয়ে অনুসূচীত জনগোষ্ঠীৰ লোকসকলক কৰা অপমানৰ তদন্তৰ দাবী উত্থাপন কৰে৷ অসম প্ৰদেশ কংগ্ৰেছ সমিতি আৰু গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ উদ্যোগত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়া উপস্থিত থাকি মুখ্যমন্ত্ৰীৰ বিতৰ্কিত মন্তব্যক নিন্দা কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে বৰ্ণবাদৰ ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰে৷ মুখ্যমন্ত্ৰীক বিভেদৰ ৰাজনীতি পৰিহাৰ কৰি উন্নয়নৰ ৰাজনীতি কৰিবলৈ আহ্বান জনায় শইকীয়াই৷ কাৰ্যসূচীত প্ৰাক্তন সাংসদ দ্বিজেন শৰ্মা, বিধায়ক আব্দুছ ছোবাহান আলী সৰকাৰ, বিধায়িকা শিৱামণি বৰা, গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি নৱজ্যোতি তালুকদাৰো উপস্থিত থাকে৷ উল্লেখ্য যে, ২৬ ডিচেম্বৰৰ পুৱা হিমন্ত বিশ্ব শৰ্মাই গীতাৰ এটি শ্লোক নিজৰ ছ'চিয়েল মিডিয়াত পোষ্ট কৰিছিল। গ্ৰাফিক্স ব্যৱহাৰ কৰি কৃষ্ণ আৰু অৰ্জুনৰ ফটোৰ সৈতে গীতাৰ অষ্টাদশ অধ্যায়ৰ সন্যাস যোগৰ ৪৪নং শ্লোকৰ উধৃতিৰে এটি শ্লোক লিখিছিল। শ্লোকটোত লিখা হৈছিল, 'কৃষিকৰ্ম, গো-পালন, বাণিজ্য-এইসমূহ হৈছে বৈশ্যৰ স্বভাৱজাত তথা স্বাভাৱিক কৰ্ম আৰু ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য-এই তিনি বৰ্ণক শুশ্ৰুষা কৰাটো হৈছে শূদ্ৰৰ স্বাভাৱিক কৰ্ম।' মুখ্যমন্ত্ৰীয়ে এই শ্লোক পোষ্ট কৰাৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত পোষ্ট ডিলিট কৰাৰ লগতে সকলোকে ক্ষমা খোজে৷

স্থানীয় সংবাদ

# ফেচবুকত আলফাৰ সমৰ্থনত কমেণ্ট, দৰঙত যুৱকক গ্ৰেপ্তাৰ

**ই-সংবাদ, ২৯ ডিচেম্বৰঃ** নতুন দিল্লীত আলফাৰ আলোচনাপন্থী গোট আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত চুক্তি স্বাক্ষৰ হোৱাৰ সময়তে অসমত আলফাৰ সমৰ্থন কৰা যুৱক-যুৱতীৰ গ্ৰেপ্তাৰ অব্যাহত আছে৷ অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি.পি সিঙে এই ক্ষেত্ৰত কঠোৰ হ'ব বুলি সামাজিক মাধ্যমত পোষ্ট দিয়াৰ পাছৰে পৰা সক্ৰিয় হৈছে অসমৰ প্ৰতিখন জিলাৰ আৰক্ষী৷ ইতিমধ্যে কেইবাজনো যুৱকক গ্ৰেপ্তাৰ কৰিছে অসমৰ কেইবাখনো জিলাৰ আৰক্ষীয়ে৷ বিদ্ৰোহী আলফা স্বাধীনক সমৰ্থন কৰা যুৱক-যুৱতীক কঠোৰ হাতেৰে দমন কৰিবলৈ অভিযান অব্যাহত ৰখাৰ সময়তে আজি দৰং জিলাত এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে অসম আৰক্ষীয়ে৷ এই যুৱকজন হৈছে দৰং জিলাৰ বালিপোতাৰ বিশ্বজিৎ ডেকা। জানিব পৰা মতে, বিশ্বজিৎ ডেকাই ফেচবুকত 'আলফা জিন্দাবাদ' বুলি কমেণ্ট কৰিছিল৷ ইয়াৰ পিছতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে বিশ্বজিতক।

বিশেষ খবৰ

# শিলচৰত ড্ৰাগছসহ মুন্না, আজাৰুল, আজিবুৰ, বিশালক গ্ৰেপ্তাৰ

**ই-সংবাদ, শিলচৰ, ২৯ ডিচেম্বৰঃ** আৰক্ষী কঠোৰ হ'লেও বৰাক উপত্যকাত আজিও নিষিদ্ধ ড্ৰাগছৰ সৰবৰাহ অব্যাহত আছে৷ নিতৌ আৰক্ষীয়ে অভিযান চলাই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে যদিও দুগুণ উৎসাহেৰে ড্ৰাগছ সৰবৰাহ কৰি গৈছে ড্ৰাগছ মাফিয়াই৷ ইয়াৰ মাজতে ২৮ ডিচেম্বৰৰ নিশা কাছাৰ জিলাৰ শিলচৰত অভিযান চলাই হেৰ'ইনসহ চাৰি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় বৰখলা আৰক্ষী৷ চাৰিচকীয়া বাহনত ড্ৰাগছ লৈ গুৱাহাটী অভিমুখে ৰাওনা হোৱাৰ সময়তে বৰখলা আৰক্ষীয়ে ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই হেৰ'ইন উদ্ধাৰৰ লগতে চাৰি সৰবৰাহকাৰীক ধৰিবলৈ উদ্ধাৰ হয়৷ শিলচৰৰ বালাছৰাত ঘাইপথত এএছ-০৬-ই-৭৯৭৯ নম্বৰৰ মাৰুতিখন তালাচী চলোৱাৰ সময়তে ২৩ গ্ৰাম ব্ৰাউন চুগাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ লগতে মুন্না খান, আজাৰুল ৰহমান, আজিবুৰ ৰহমান আৰু বিশাল বৈদ্যক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ কাছাৰৰ সোণাইৰ পৰা ড্ৰাগছখিনি গুৱাহাটীলৈ নি আছিল বুলি জানিব পৰা গৈছে৷ উল্লেখ্য যে বৰাকত দীৰ্ঘসময় ধৰি দুষ্ট চক্ৰই ড্ৰাগছৰ সৰবৰাহ কৰি আহিছে।

শেষ পৃষ্ঠা

“নতুন দিল্লীৰ হৰিনগৰ অঞ্চলত ইয়াৰ নতুন কাৰ্যালয় স্থাপন কৰা হৈছে বুলি সংবাদ মাধ্যমত প্ৰকাশ। মহিলা মল্লযোদ্ধাৰ ওপৰত যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত অভিযুক্ত বিজেপি সাংসদ ব্ৰীজভূষণে ডব্লিউএফআইৰ সভাপতি পদ হেৰুৱাইছিল। ”

# স্থানান্তৰ হ’ল ৰেষ্টলিং ফেডাৰেচনৰ কাৰ্যালয়

**নতুন দিল্লী, ২৯ ডিচেম্বৰঃ** ৰেষ্টলিং ফেডাৰেচন অৱ ইণ্ডিয়া (ডব্লিউএফআই)ৰ কাৰ্যালয় ইয়াৰ পূৰ্বৰ সভাপতি বিজেপি সাংসদ ব্ৰীজভূষণ সিং চাৰনৰ ঘৰৰ পৰা স্থানান্তৰ কৰা হৈছে। নতুন দিল্লীৰ হৰিনগৰ অঞ্চলত ইয়াৰ নতুন কাৰ্যালয় স্থাপন কৰা হৈছে বুলি সংবাদ মাধ্যমত প্ৰকাশ। মহিলা মল্লযোদ্ধাৰ ওপৰত যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত অভিযুক্ত বিজেপি সাংসদ ব্ৰীজভূষণে ডব্লিউএফআইৰ সভাপতি পদ হেৰুৱাইছিল। যোৱা ২১ ডিচেম্বৰ তেওঁৰ অনুগামী সঞ্জয় সিং ইয়াৰ সভাপতি নিৰ্বাচিত হয়। ইয়াক লৈ বিতৰ্কৰ সৃষ্টি হোৱাত তিনিদিন পিছত ক্ৰীড়া মন্ত্ৰালয়ে সঞ্জয় সিঙক বহিষ্কাৰ কৰে। এতিয়া উশ্বু সংস্থাৰ সভাপতি ভুপিন্দৰ সিং বাজৱা নেতৃত্বাধীন তিনিজনীয়া কমিটীএখনে ডব্লিউএফআইৰ কাম-কাজ পৰিচালনা কৰি আছে। ইয়াৰ পিছত ব্ৰীজভূষণৰ ঘৰৰপৰা ডব্লিউএফআইৰ কাৰ্যালয় স্থানান্তৰ কৰাতো তেওঁৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণৰ ইংগিত বুলি প্ৰকাশ পাইছে।



# শিক্ষয়িত্ৰী-ছাত্ৰৰ চুম্বনৰ ফটো ভাইৰেল! কৰ্ণাটকত উত্তাল ছ’চিয়েল মিডিয়া

**বাংগালুৰু, ২৯ ডিচেম্বৰঃ** গুৰু-শিষ্যৰ সম্পৰ্কৰ শালীনতা অতিক্ৰম কৰি তাক বিকৃত ৰূপ প্ৰদান কৰা ঘটনাই সভ্য সমাজক সদায় লজ্জানত কৰে। তেনে বহু ঘটনাও সময়ে সময়ে পোহৰলৈ আহে। তেনে এক ঘটনাই পুনৰ এবাৰ সামাজিক মাধ্যমত লাভ কৰিছে ব্যাপক চৰ্চা। এগৰাকী মহিলা শিক্ষয়িত্ৰী আৰু এজন দশম শ্ৰেণীৰ ছাত্ৰৰ 'অশালীন’ ফটোশ্বুটৰ কেইখনমান ফটোই হতবাক কৰিছে নেটিজেনক। অমিত সিং ৰাজাৱট নামৰ এগৰাকী এক্স ব্যৱহাৰকাৰীয়ে পোষ্ট কৰিছে গুৰু-শিষ্যৰ ফটোশ্বুটৰ কেইখনমান শালীনতাবিহীন ফটো। জানিব পৰা মতে, ফটোত দেখা পোৱা মহিলাগৰাকী হৈছে কৰ্ণাটকৰ মৰুগমল্ল চিক্কাবল্লাপুৰ জিলাৰ টিচাক মুৰুগমমল্লাৰ চৰকাৰী হাইস্কুলৰ শিক্ষয়িত্ৰী। আনহাতে কিশোৰজন হৈছে তেওঁৰেই বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ। জানিব পৰা মতে, বিদ্যালয়ৰ শিক্ষামূলক বনভোজৰ সময়ত এইদৰে ফটোশ্বুট কৰিছিল শিক্ষয়িত্ৰী আৰু ছাত্ৰজনে। অমিত সিং ৰাজাৱটে ফটোকেইখন পোষ্ট কৰি লিখিছে, "আমি সমাজ হিচাপে ক'লৈ যাম? কৰ্ণাটকৰ মৰুগমল্ল চিক্কাবল্লাপুৰ জিলাৰ দশম শ্ৰেণীৰ ছাত্ৰৰ সৈতে চৰকাৰী বিদ্যালয়ৰ শিক্ষয়িত্ৰীৰ ৰোমান্টিক ফটোশ্বুটৰ ছবি আৰু ভিডিঅ' ভাইৰেল হৈ পৰিছে।" তদুপৰি ছাত্ৰজনৰ এই আচৰণৰ সম্যক তদন্তৰ দাবীত খণ্ড শিক্ষা বিষয়াৰ ওচৰত অভিভাৱকে এজাহাৰ দাখিল কৰা বুলিও তেওঁ অৱগত কৰে। অৱশ্যে ভাইৰেল হোৱা ফটোকেইখনত শিক্ষয়িত্ৰীগৰাকী আৰু ছাত্ৰজনৰ পৰিচয় এতিয়াও প্ৰকাশ পোৱা নাই। এই পোষ্টটোৱে ছচিয়েল মিডিয়া ব্যৱহাৰকাৰীৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা দেখা গৈছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান